স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 NO-202 SATURDAY 27 SEPTEMBER 2025

ার্যসূচী

ৰদেৱৰ
ায়োজন

ষ্টা গোপাল গোস্বামী আৰু
াপন সমিতিৰ কাৰ্যকৰী
াতি অমিন ফুকনে। ইয়াৰ
ত ধৰ্মধ্বজা উত্তোলন কৰিব
াপন সমিতিৰ সভাপতি
ান নেওগে। পুৱা ৮ বজাত
ত

৮ পৃষ্ঠাত

ক্ষোভ

ত প্ৰতিবাদ

লস্বৰূপে চৰকাৰে পূৰ্বৰ
মিটাৰকে চলাই যোৱাৰ
, সেই সময়ত দেৰগাঁও
াগৰ পৰা বিদ্যুৎ বিলৰ
া কৰা বিষয়টোক লৈ
ত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।
এনে কৌশলী লুণ্ঠনৰ বুজ
্যালয়লৈ গ'লে সমিধান
য়াই স্মাৰ্ট

৮ পৃষ্ঠাত



## কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তিবিদ্যা বিভাগৰ বক্তৃতানুষ্ঠান

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জৈৱ- প্ৰযুক্তিবিদ্যা বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৪ ছেপ্টেম্বৰৰ পৰা দুদিনীয়া বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'লিপিড' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ভাস্বতী গগৈ। ভাস্বতী গগৈয়ে তেওঁৰ ভাষণ প্ৰসংগত লিপিড বায়'মলিকুল্‌ছৰ সংজ্ঞা, গুণাগুণ, বৈশিষ্ট্য আৰু বিভিন্ন প্ৰয়োগৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰে। লগতে তেওঁ মন্তব্য কৰে যে 'বৰ্তমান সময়ত পৰিৱৰ্তিত জীৱনশৈলীত প্ৰায় প্ৰতিজন ব্যক্তিৰ জীৱনত লিপিড মলিকুলাৰে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে, সেয়েহে প্ৰতিজন ব্যক্তিয়ে এইক্ষেত্ৰত তথ্যভিত্তিক জ্ঞানৰ জৰিয়তে নিজৰ জীৱন সুন্দৰভাৱে উদ্‌যাপন কৰিব পাৰিব।' জৈৱ-প্ৰযুক্তিবিদ্যা বিভাগৰ মুৰব্বী অতনু কোঁৱৰে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধনী ভাষণ প্ৰদান কৰে। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনত নতুনকৈ সংযোজিত হোৱা জৈৱ-প্ৰযুক্তিবিদ্যা বিভাগটোৰ উক্ত প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে অনাগত

৮ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বার্তা

...৫ চন ☐ VOL-15 ☐ NO-202 ☐ SATURDAY 27 SEPTEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/D...

## কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তিবিদ্যা

দিনসমূহত বিভাগটোৱে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত মুম্বাইস্থিত অ'এনজিচিৰ ডেপুটী জেনেৰেল মেনেজাৰ ৰাতুল গগৈ, কানৈ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তিবিদ্যা বিভাগৰ অধ্যাপক সঞ্জীৱ সন্দিকৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।